arta.com গুৱাহাটী-ডিব্ৰুগড়-বিশ্বনাথ চাৰিআলি-গোৱালপাৰাৰ পৰা প্ৰকাশিত পৃষ্ঠা ঃ ১

স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

নিয়মীয়া বাৰ্তা

VOL-16 ☐ NO-29 ☐ THURSDAY 2 APRIL 2026 (ডিব্ৰুগড় সংস্কৰণ/DIBRUGARH EDI

TINSUKIA COLLEGE LIB... ESTD 1956 TINSUKIA, A...

কৰি ন্যাসৰক্ষীসকলে কৃষিজীৱী মহিলাসকল আলোচনী, বাতৰিকাকত পঢ়িব পৰাকৈ গ্ৰাম্য ৰঙালী বিহুৰ আগতেই গামোচা প্ৰস্তুতৰ সংকল্প লয়।

ৰ ডিমৌ
ই আঁত
ঠনটোৰ
নমিতিৰ
দ্যালয়ৰ
্যাপিকা
উমেশ
লগতে
উপস্থিত
তা আৰু
কাখনকৈ
ৰ উপৰি
াসৰপ্ৰাপ্ত
া তৰফৰ

# তিনিচুকীয়া কলেজত স্বাস্থ্য পৰীক্ষা শিবিৰ

**বিশেষ বাৰ্তা, তিনিচুকীয়া, ১ এপ্ৰিল ঃ** তিনিচুকীয়া মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰূপণ কোষ (আইকিউএচি), এনএছএছ জেণ্ডাৰ চেম্পিয়নছ ক্লাবৰ যৌথ উদ্যোগত, ইণ্ডিয়ান কাউন্সিল অৱ মেডিকেল ৰিচাৰ্চৰ Regional Medical Research Centre, Dibrugarh (ICMR-RMRCNE)ৰ সহযোগত ২৯ মাৰ্চত এটা স্বাস্থ্য পৰীক্ষা শিবিৰ অনুষ্ঠিত হয়। পুৱা ১০ বজাৰ পৰা তিনিচুকীয়া মহাবিদ্যালয়ৰ আইকিউএচি কনফাৰেঞ্চ হলত আৰম্ভ হোৱা স্বাস্থ্য শিবিৰত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী মিলি ডেৰ শতাধিক লোকে সক্ৰিয় অংশগ্ৰহণ কৰে। জেণ্ডাৰ চেম্পিয়নছ ক্লাবৰ সমন্বয়ক দেৱকান্ত বুঢ়াগোহাঁই বিবৃতিৰ জৰিয়তে পঠিওৱা বাৰ্তা অনুসৰি স্বাস্থ্য শিবিৰত ৰক্তহীনতা, থেলাছেমিয়া আৰু ছিকেল চেল এনিমিয়া চিনাক্তকৰণৰ বিভিন্ন পৰীক্ষাৰ লগতে হিমোগ্ল'বিন, ৰক্তচাপ, RBC Red Blood Cell গণনা আৰু Body Mass Indexৰো পৰীক্ষা কৰা হয়। মূলতঃ ছাত্ৰ-ছাত্ৰীৰ মাজত শাৰীৰিক আৰু মানসিক স্বাস্থ্যৰ প্ৰতি সচেতনতা বৃদ্ধি কৰাৰ উদ্দেশ্যে অনুষ্ঠিত শিবিৰত সকলো অংশগ্ৰহণকাৰীক বিনামূলীয়া মৌলিক স্বাস্থ্য পৰীক্ষাৰ সুবিধা প্ৰদান কৰাব হয়। ছাত্ৰ-ছাত্ৰী, শিক্ষক, কৰ্মচাৰী অংশগ্ৰহণকাৰীয়ে স্বাস্থ্য পৰীক্ষা কৰাৰ লগে লগে স্বাস্থ্যসন্মত জীৱন-যাপন, সঠিক পুষ্টি আৰু ৰোগ প্ৰতিৰোধৰ বিষয়ে গুৰুত্বপূৰ্ণ পৰামৰ্শ প্ৰদান কৰা হয়। অধ্যক্ষ ড° ভৈৰব বৰগোহাঁয়ে অনুষ্ঠানত উপস্থিত থাকি অনুষ্ঠানটো আয়োজন কৰাত বিশেষ সহায়-সহযোগিতা আগবঢ়োৱাৰ লগতে এনেধৰণৰ স্বাস্থ্য শিবিৰে ছাত্ৰ-ছাত্ৰীৰ মাজত স্বাস্থ্য সচেতনতা বৃদ্ধি কৰিব বুলি মত প্ৰকাশ কৰে।